অধ্যায় ৯ ঃ কাল্পনিক সমাজবাদ ঃ ৰ'বার্ট অ'ৱেন

অধ্যায় গাঁথনি

9.1 উদ্দেশ্য
9.2 পৰিচয়
9.3 কাল্পনিক সমাজবাদৰ ধাৰণা
  9.3.1 অর্থ আৰু উৎপত্তি
  9.3.2 কাল্পনিক সমাজবাদৰ মুখ্য বৈশিষ্ট্য
9.4 ৰ'বার্ট অ'বেন ঃ তেওঁৰ মতামত আৰু অৱদান
  9.4.1 প্রাৰম্ভিক জীৱন আৰু বৌদ্ধিক প্রভাৱ
9.5 ৰ'বার্ট অ'ৱেনৰ দৃষ্টিভংগী আৰু ধাৰণা
  9.5.1 মানৱ চৰিত্রৰ তত্ত্ব
  9.5.2 সম্পত্তি আৰু সাম্যবাদ
  9.5.3 সহযোগী সমাজসমূহ
  9.5.4 শিক্ষা আৰু সামাজিক সংস্কাৰ
  9.5.5 ৰবার্ট অ'ৱেনৰ প্রয়োগসমূহ
9.6 ৰ'বার্ট অ'ৱেনৰ অৱদানৰ মূল্যায়ন
9.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
9.8 অধিক জানিবলৈ
9.9 অগ্রগতিৰ খতিয়ন
9.10 আর্হিপ্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কাল্পনিক সমাজবাদৰ মৌলিক ধাৰণাসমূহ বুজিব।
- কাল্পনিক সমাজবাদৰ ধাৰণা সন্দর্ভত ৰ'বার্ট অ'ৱেনৰ দৃষ্টিভংগী আলোচনা কৰিব পাৰিব।
- এজন কাল্পনিক সমাজবাদী হিচাপে ৰ'বার্ট অ'ৱেনৰ প্রয়োগসমূহ আলোচনা কৰিব।
- কাল্পনিক সমাজবাদৰ সামগ্রিক গুৰুত্ব আৰু ইয়াৰ সীমাবদ্ধতাসমূহ বুজিব।

৮.২ পৰিচয়

কাল্পনিক সমাজবাদে ঊনবিংশ আৰু অষ্টাদশ শতিকাৰ শেষভাগত ইউৰোপত উদ্ভৱ হোৱা ঔদ্যোগিক পুঁজিবাদ আৰু সামাজিক অসমতাৰ ওপৰত প্রথম সংগঠিত আৰু পদ্ধতিগত সমালোচনাৰ প্রতিনিধিত্ব কৰে। উদ্যোগিক বিপ্লৱৰ ফলত সৃষ্ট সামাজিক অস্থিৰতা— বিশেষকৈ শ্রম শোষণ, শিশু শ্রমৰ ব্যাপকতা, নগৰীয়া দৰিদ্রতা আৰু পৰম্পৰাগত সমাজ জীৱনৰ অৱনতি— ইয়াৰ বিকাশৰ মুখ্য কাৰণ আছিল। কাল্পনিক সমাজবাদৰ প্রাৰম্ভিক সমর্থকসকল যেনে খুৰ্লছ ফুৰিয়ৰ, ৰবাচ অ'ৱেন, হেনৰী ডী চেণ্ট, চাইমন আৰু এটিএন্নে কেবএ সংঘাত

বা বিপ্লৱী সংগ্রামৰ সলনি সহযোগিতা, সামঞ্জস্য আৰু নৈতিক সংস্কাৰৰ ওপৰত আধাৰিত বিকল্প সামাজিক সংগঠনৰ কল্পনা কৰিছিল।

প্রাৰম্ভিক কাল্পনিক সমাজবাদীসকলৰ ভিতৰত ৰ'বার্ট অ'বেন (1771–1858) বিশেষ গুৰুত্বপূর্ণ

স্থান অধিকাৰ কৰে, কিয়নো তেওঁ আমেৰিকা যুক্তৰাষ্ট্রত "নিউ হার্মনি" (New Harmony) নামৰ এক পৰীক্ষামূলক সহযোগী সমাজ স্থাপন কৰিছিল। বহু সমসাময়িক চিন্তাবিদে কেৱল তাত্ত্বিক অনুমানত সীমাবদ্ধ থাকিলেও অ'বেনে সমাজবাদী আদর্শসমূহ ব্যৱহাৰিক পৰীক্ষাৰ জৰিয়তে কার্যকৰী ৰূপ দিবলৈ চেষ্টা কৰিছিল। তেওঁৰ চিন্তাধাৰাৰ কেন্দ্রস্থলত আছিল যে মানৰ চৰিত্র সামাজিক পৰিৱেশৰ দ্বাৰা গঢ় লৈ উঠে। গতিকে সহযোগী সমাজ আৰু নৈতিক সংস্কাৰে সমাজ পৰিৱর্তন কৰিব পাৰে।

দার্শনিক ফ্রেড্রিখ এংগেলছে (Frederick Engels) অ'বেন সন্দর্ভত লিখিছিল—

"ইংলেণ্ডত শ্রমিকসকলৰ পক্ষত হোৱা প্রতিটো সামাজিক আন্দোলন আৰু প্রতিটো প্রকৃত অগ্রগতি ৰ'বার্ট অ'ৱেনৰ নামৰ সৈতে সংযুক্ত।"

এই অধ্যায়টোত কাল্পনিক সমাজবাদৰ অর্থ, ইয়াৰ উৎপত্তি আৰু সমাজবাদী চিন্তাধাৰাৰ পৰৱর্তী বিকাশত ইয়াৰ ভূমিকা আলোচনা কৰা হৈছে। লগতে, এই বিতর্কসমূহত ৰ'বার্ট অ'ৱেনৰ ধাৰণা আৰু অৱদান বুজাটো কিয় গুৰুত্বপূর্ণ, সেয়াও ব্যাখ্যা কৰা হৈছে। ইয়াৰ উপৰি এই অধ্যায়টোৱে কাল্পনিক সমাজবাদৰ মুখ্য সমালোচনাসমূহো উত্থাপন কৰে, য'ত পৰৱর্তী সমাজবাদী চিন্তাবিদসকলে বৈজ্ঞানিক বিশ্লেষণ আৰু বিপ্লৱী পদ্ধতিৰ অভাৱৰ বাবে ইয়াক সমালোচনা কৰিছিল। তথাপি সমাজবাদী চিন্তাধাৰা গঢ় দিয়াত কাল্পনিক সমাজবাদৰ ঐতিহাসিক গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি।

এই অধ্যায়ত মূলত কাল্পনিক সমাজবাদৰ ধাৰণাটো অনুসন্ধান কৰা হৈছে আৰু ৰাজনৈতিক চিন্তাধাৰাত ৰ'বার্ট অ'ৱেনৰ জীৱন, ধাৰণা, সামাজিক প্রয়োগ, সীমাবদ্ধতা আৰু সামগ্রিক অৱদান সমালোচনামূলকভাৱে পৰীক্ষা কৰা হৈছে।

৯.৩ কাল্পনিক সমাজবাদৰ ধাৰণা

৯.৩.১ অর্থ আৰু উৎপত্তি

কাল্পনিক সমাজবাদ বুলিলে সহযোগিতা, সমতা আৰু সম্পদৰ যৌথ মালিকানাৰ ওপৰত আধাৰিত আদর্শ বা নিখুঁত সমাজ গঢ়াৰ ওপৰত গুৰুত্ব দিয়া সমাজবাদী ধাৰণাসমূহৰ সমষ্টিক বুজায়। (কাল্পনিক) "ইউটোপিয়া" শব্দটো প্রথমবাৰৰ বাবে ছাৰ টমাৰ ম'ৰে তেওঁৰ গ্রন্থ Utopia (1516) ত ব্যৱহাৰ কৰিছিল, য'ত তেওঁ এক কাল্পনিক আদর্শ সমাজৰ বর্ণনা দিছিল। ঊনবিংশ শতিকাৰ এই ধাৰণাটো সেইসকল সমাজবাদী চিন্তাবিদৰ ক্ষেত্রত প্রয়োগ কৰা হয়, যিসকলে সংগঠিত সংগ্রামৰ জৰিয়তে সেই সমাজ কেনেকৈ প্রতিষ্ঠা কৰিব পাৰি তাৰ সুস্পষ্ট ৰাজনৈতিক কৌশল উল্লেখ নকৰাকৈ আদর্শ সামাজিক ব্যৱস্থাৰ প্রস্তাৱ আগবঢ়াইছিল। সহজ ভাষাত ক'বলৈ গ'লে, ছাৰ টমাছ ম'ৰেই "এউটোপিয়া" শব্দটো প্রৱর্তন কৰি ইয়াক এক কাল্পনিক সাম্যবাদী সমাজ হিচাপে ব্যৱহাৰ কৰিছিল।

মার্ক্সবাদী বা বৈজ্ঞানিক সমাজবাদ উদ্ভৱ হোৱাৰ পূর্বে, কাল্পনিক সমাজবাদে মূলত ইংলেণ্ড আৰু ফ্রান্সত ঊনবিংশ আৰু অষ্টাদশষ শতিকাৰ শেষভাগত বিকাশ লাভ কৰে। ৰ'বার্ট অ'ৱেন, চার্লছ ফুৰিয়ে আৰু অঁৰি দে ছাঁ-ছিমোঁৰ দৰে চিন্তাবিদসকলে প্রাৰম্ভিক পুঁজিবাদৰ অসমতাসমূহৰ সমালোচনা কৰি নৈতিক আৰু সামাজিক সংস্কাৰৰ ওপৰত আধাৰিত বিকল্প সামাজিক ব্যৱস্থাৰ প্রভাৱ আগবঢ়াইছিল। এইদৰে ৰ'বার্ট অ'ৱেন প্রথমে

এজন ৰেলছ উৎপাদনকাৰী আছিল, যিয়ে নিজৰ শ্রমিকসকলৰ মাজত সহযোগী সমাজ স্থাপন কৰি সমাজবাদী ধাৰণাক ব্যৱহাৰিক ৰূপ দিবলৈ চেষ্টা কৰিছিল। যিহেতু এই প্রয়োগসমূহ সম্পূর্ণ সফল নহ'ল, সেয়েহে তেওঁৰ ধাৰণাসমূহক "ইউটোপিয়ান" হিচাপে চিহ্নিত কৰা হয়; এই অধ্যায়ত সেইবোৰ বিষয়ে বিস্তৃত আলোচনা কৰা হ'ব।

৯.৩.২ কাল্পনিক সমাজবাদৰ মুখ্য বৈশিষ্ট্য

কাল্পনিক সমাজবাদৰ এটা মুখ্য বৈশিষ্ট্য আছিল কোনো প্রত্যক্ষ প্রয়োগ বা ঐতিহাসিক প্রক্রিয়া আৰু শ্রেণী সম্পর্কৰ বিশ্লেষণ নকৰাকৈ আদর্শ সমাজৰ নক্সা প্রস্তুত কৰাৰ ওপৰত গুৰুত্ব। সমাজ পৰিৱর্তন বাস্তৱত কেনেকৈ ঘটে, সেই বিষয়তকৈ কাল্পনিক সমাজবাদীসকল সমাজ কেনেকৈ গঠিত হ'ব লাগে তাৰ কল্পনাত অধিক আগ্রহী আছিল। কাল্পনিক সমাজবাদীসকল ইউৰোপত উদ্যোগিক বিপ্লৱৰ পিছত উদ্ভৱ হোৱা পুঁজিবাদৰ বিৰুদ্ধে এক শক্তিশালী নৈতিক সমালোচনাৰ জৰিয়তে আত্মপ্রকাশ কৰে, যিয়ে শ্রমিকসকলৰ মাজত ব্যাপক অসমতা সৃষ্টি কৰিছিল। এই অৱস্থাৰ কাৰণসমূহ বিশ্লেষণ কৰি তেওঁলোকে ব্যক্তিগত সম্পত্তি, প্রতিযোগিতা, লাভৰ উদ্দেশ্য আৰু শ্রম শোষণক কঠোৰভাৱে নিন্দা কৰিছল, যিবোৰ প্রাৰম্ভিক ঔদ্যোগিক পুঁজিবাদৰ মুখ্য বৈশিষ্ট্য আছিল। এইদৰে পুঁজিবাদক সামাজিক অসমতা, শোষণ আৰু দুখ-কষ্টৰ মূল কাৰণ হিচাপে দেখা হৈছিল।

কাল্পনিক সমাজবাদীসকলে বিশ্বাস কৰিছিল যে সহযোগিতা নৈতিকভাৱে অধিক উৎকৃষ্ট আৰু যৌথ জীৱন আৰু ভাগ-বতৰা কৰা অর্থনৈতিক কার্যকলাপৰ জৰিয়তে সামাজিক সামঞ্জস্য লাভ কৰিব পাৰি। সেয়েহে, তেওঁলোকে প্রতিযোগিতাৰ সলনি শ্রমিক আৰু মালিকৰ মাজত সহযোগিতাক সামাজিক-ৰাজনৈতিক-অর্থনৈতিক শোষণ আৰু বঞ্চিতৰ মুখ্য সমাধান হিচাপে গুৰুত্ব দিছিল। মন কৰিবলগীয়া যে কাল্পনিক সমাজবাদে সমাজ পৰিৱর্তনৰ উপায় হিচাপে কিন্তু হিংসাত্মক বিপ্লৱক সমর্থন কৰা নাছিল। এই চিন্তাবিদসকলে বিশ্বাস কৰিছিল যে শিক্ষা, নৈতিক প্রৰোচনা আৰু সফল সামাজিক আদর্শৰ প্রদর্শনৰ জৰিয়তে সমাজক শান্তিপূর্ণভাৱে ৰূপান্তৰ কৰিব পাৰি। উদাহৰণ স্বৰূপে, ৰ'বার্ট অ'ৱেনে শিশু শ্রমিকসকলৰ বাবে পুথিভঁৰাল স্থাপন কৰিছল, তেওঁলোকৰ কর্মঘণ্টা হ্রাস কৰিছিল আৰু নিবনুৱা লোকসকলৰ বাবে "ঐক্য আৰু সহযোগিতা"ৰ গাঁও স্থাপনৰ পৰামর্শ আগবঢ়াইছিল।

কাল্পনিক সমাজবাদীসকলৰ মতে, নৈতিক আৰু নীতিগত সংস্কাৰ যিকোনো সামাজিক পৰিৱর্তনৰ মূল আধাৰ। সামাজিক সমস্যাসমূহক মানৱ স্বভাৱৰ ফল বুলি নধৰি অন্যায় সামাজিক প্রতিষ্ঠানৰ ফল বুলি ধৰা হৈছিল। যদি সামাজিক প্রতিষ্ঠানসমূহ সংস্কাৰ কৰা হয়, তেন্তে মানৱ আচৰণ স্বাভাৱিকভাৱে উন্নত হ'ব। সেয়েহে বহু কাল্পনিক সমাজবাদীয়ে নিজৰ ধাৰণাসমূহৰ ব্যৱহাৰিক সম্ভাৱনা প্রদর্শন কৰিবলৈ পৰীক্ষামূলক বা আদর্শ সমাজ স্থাপনৰ চেষ্টা কৰিছল। এই সমাজসমূহ সহযোগী আৰু সামঞ্জস্যপূর্ণ সামাজিক জীৱনৰ আদর্শ হিচাপে কার্য কৰিবলৈ উদ্দেশ্য কৰা হৈছিল।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কাল্পনিক সমাজবাদ কি? ইয়াৰ অর্থ আৰু উৎপত্তি আলোচনা কৰা।

প্রশ্ন নং ২ ঃ কাল্পনিক সমাজবাদৰ মুখ্য বৈশিষ্ট্যসমূহ পৰীক্ষা কৰা।

৯.৪ ৰ'বার্ট অ'বেন ঃ তেওঁৰ মতামত আৰু অৱদান

৯.৪.১ প্ৰাৰম্ভিক জীৱন আৰু বৌদ্ধিক প্ৰভাৱ

ৰ'বার্ট অ'ৱেনৰ জন্ম 1771 চনত ৱেলছৰ নিউটাউনত এক সাধাৰণ পৰিয়ালত হৈছিল। কম বয়সতেই কর্মজীৱন আৰম্ভ কৰি পাছলৈ এজন সফল বস্ত্ৰ উদ্যোগপতি হিচাপে গঢ় লৈ উঠা অ'ৱেনৰ ঔদ্যোগিক হিচাপে লাভ কৰা প্ৰত্যক্ষ অভিজ্ঞতাই তেওঁৰ সামাজিক ধাৰণাসমূহ গঢ় দিয়াত নির্ণায়ক ভূমিকা পালন কৰিছল। ত্ৰিছ বছৰ বয়সতেই অ'বেন স্কটলেণ্ডৰ নিউ লানার্ক কটন মিলৰ ব্যৱস্থাপক হয় আৰু পাছলৈ ইয়াৰ সহমালিকো হয়।

ঔদ্যোগিক বিপ্লৱৰ পিছত দেখা পোৱা সেই সময়ৰ কঠোৰ কর্ম পৰিস্থিতি— যেন, দীঘলীয়া কর্মঘণ্টা, শিশু শ্ৰম আৰু নীচ জীৱনে তেওঁক গভীৰভাৱে প্ৰভাৱিত কৰিছল আৰু বিদ্যমান পুঁজিবাদী ব্যৱস্থাৰ বিকল্প সন্ধান কৰিবলৈ প্ৰেণা দিছিল। অ'ৱেনৰ চিন্তাধাৰা প্ৰভাৱিত হৈছিল প্ৰজ্ঞাবাদী যুক্তিবাদী, মানৱীয় সংস্কাৰ আন্দোলনসমূহ আৰু ঔদ্যোগিক সমাজৰ ওপৰত কৰা তেওঁৰ অভিজ্ঞতালব্ধ পর্যবেক্ষণৰ দ্বাৰা। বিপ্লৱী চিন্তাবিদসকলৰ বিপৰীতে তেওঁৰ সমাজবাদ মূলত বিমূর্ত দার্শনিক তত্ত্বৰ সলনি ব্যৱহাৰিক অভিজ্ঞতাৰ পৰা বিকশিত হৈছিল। শ্ৰমিকে শিক্ষাৰ জৰিয়তে সামাজিক পৰিৱর্তন সাধন, প্ৰতিযোগিতাৰ সলনি সহযোগিতাৰ ওপৰত গুৰুত্ব, মৌলিক স্বাস্থ্য আৰু পৰিচ্ছন্নতাৰ সুবিধা প্ৰদান আদি তেওঁৰ সামাজিক পৰিৱর্তনৰ মৌলিক ধাৰণাসমূহে তেওঁৰ মানৱীয় স্বভাৱক প্ৰতিফলিত কৰে। এই অংশত এজন প্ৰাৰম্ভিক কাল্পনিক সমাজবাদী হিচাপে ৰ'বার্ট অ'ৱেনৰ মতামত আৰু অৱদানসমূহ আলোচনা কৰা হ'ব।

৯.৫ ৰ'বার্ট অ'ৱেনৰ দৃষ্টিভংগী আৰু ধাৰণা

৯.৫.১ মানৱ চৰিত্ৰৰ তত্ত্ব

ৰ'বার্ট অ'ৱেনৰ অন্যতম গুৰুত্বপূর্ণ অৱদান আছিল তেওঁৰ পৰিৱেশগত নির্ধাৰণবাদৰ তত্ত্ব। তেওঁৰ মতে, মানৱ চৰিত্ৰ ব্যক্তিগত পছন্দৰ ফল নহয়; বৰঞ্চ সামাজিক পৰিস্থিতিৰ দ্বাৰাই গঠিত হয়। মানৱ স্বভাৱ বাহ্যিক পৰিস্থিতিৰ দ্বাৰাই গঢ় লৈ উঠে আৰু মানুহ মাত্ৰেই পৰিৱেশৰ উৎপাদন। অ'ৱেনৰ মতে, মানুহ জন্মগতভাৱে ভাল অথবা বেয়া নাথাকে; বৰঞ্চ তেওঁলোকৰ আচৰণ শিক্ষা, প্ৰতিষ্ঠান আৰু পৰিৱেশৰ দ্বাৰা নির্ধাৰিত হয়।

সেয়েহে, অ'ৱেনে যুক্তি আগবঢ়ায় যে অপৰাধ, দৰিদ্ৰতা আৰু অনৈতিকতা ব্যক্তিগত ব্যর্থতাৰ ফল নহয়, বৰঞ্চ ত্ৰুটিপূর্ণ সামাজিক পৰিস্থিতিৰ ফল। তেওঁ বিশ্বাস কৰিছল যে যদি সমাজে নিজৰ প্ৰতিষ্ঠানসমূহ সংস্কাৰ কৰে, তেন্তে মানৱ আচৰণ স্বয়ংক্ৰিয়ভাৱে উন্নত হ'ব।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ৰবার্ট অ'ৱেনৰ মানৱ চৰিত্ৰৰ তত্ত্ব আলোচনা কৰা।

৯.৫.২ সম্পত্তি আৰু সাম্যবাদ সন্দর্ভত মতামত

অ'ৱেনৰ সময়ছোৱাত উদ্যোগিক বিপ্লৱে মানুহৰ মাজত স্পষ্ট সামাজিক অসমতা সৃষ্টি কৰিছিল। এই পৰিস্থিতিসমূহে অ'ৱেনক পুঁজিবাদী ব্যৱস্থাক তীব্রভাৱে সমালোচনা কৰিবলৈ প্রেৰণা দিছিল, কিয়নো এই ব্যৱস্থাই অসমতা আৰু শোষণক উৎসাহিত কৰিছিল। তেওঁৰ মতে, উৎপাদনমূলক সম্পত্তিৰ ব্যক্তিগত মালিকানাই সামাজিক বিভাজন সৃষ্টি কৰিছল আৰু লাভমুখী প্রতিযোগিতাই শ্রমিক আৰু সমাজ— দুয়োটাকেই ক্ষতি কৰিছিল। অ'ৱেনৰ দৃষ্টিত ঔদ্যোগিক পুঁজিবাদে মানুহক কেৱল উৎপাদনৰ যন্ত্র হিচাপে অৱনতি কৰিছল। সেয়েহে তেওঁ সহযোগিতামূলক আৰু ঐক্যবদ্ধ সমাজ গঢ়াৰ প্রস্তাৱ আগবঢ়াইছিল। তথাপি কার্ল মার্ক্সৰ বিপৰীতে অ'ৱেনে শ্রেণী সংঘর্ষৰ পক্ষে মত প্রকাশ কৰা নাছিল। তেওঁৰ বিশ্বাস আছিল যে পুঁজিপতিসকলক নৈতিকভাৱে প্রৰোচিত কৰি সহযোগিতামূলক নীতি গ্রহণ আৰু সামাজিক সংস্কাৰ মানি ল'বলৈ উৎসাহিত কৰিব পাৰি।

৯.৫.৩ সহযোগী সমাজসমূহ

পুঁজিবাদৰ বিকল্প হিচাপে অ'ৱেনে স্বয়ংসম্পূর্ণ সহযোগী সমাজ স্থাপনৰ প্রস্তাৱ আগবঢ়াইছিল। তেওঁ নিবনুৱা লোকসকলৰ বাবে "ঐক্য আৰু সহযোগিতা"ৰ গাঁও স্থাপনৰ পৰামর্শ দিছিল। প্রতিটো সমাজত প্রায় 1.200 জন লোক একেলগে সহযোগিতামূলকভাৱে বাস আৰু কর্ম কৰিব বুলি কল্পনা কৰা হৈছিল।

নিউ লানার্কত অ'ৱেনে প্রাথমিক শিশু বিদ্যালয়সমূহৰ অন্যতম এটা স্থাপন কৰিছিল, যিয়ে পাছলৈ আধুনিক শিক্ষাগত সংস্কাৰত প্রভাৱ পেলাইছিল। তেওঁৰ শিক্ষাদর্শনে উৎসাহ, বুজাবুজিৰ জৰিয়তে শৃখংলা আৰু সামাজিক সহযোগিতাৰ ওপৰত গুৰুত্ব দিছিল।

৯.৫.৫ ৰ'বার্ট অ'ৱেনৰ প্রয়োগসমূহ

(ক) নিউ লানার্ক প্রয়োগ

(New Lanark Experiment)

ৰ'বার্ট অ'ৱেনে সমাজবাদী আদর্শসমূহ ব্যৱহাৰিক পৰীক্ষাৰ জৰিয়তে ৰূপান্তৰিত কৰিবলৈ চেষ্টা কৰিছিল। নিউ লানার্ক প্রয়োগ ইয়াৰ এক উৎকৃষ্ট উদাহৰণ বুলি গণ্য কৰিব পাৰি। 1800 ৰ পৰা 1825 চনৰ ভিতৰত পৰিচালিত এই প্রয়োগটো অ'ৱেনৰ আটাইতকৈ সফল ব্যৱহাৰিক সাফল্য আছিল।

নিউ লানার্কত তেওঁ কর্মঘণ্টা হ্রাস কৰিছিল, শিশু শ্রম সীমিত কৰিছিল আৰু শ্রমিকসকলক বাসস্থান, পৰিচ্ছন্নতা, শিক্ষা আৰু স্বাস্থ্যসেৱা প্রদান কৰিছিল। তথাপি এই উদ্যোগটো অর্থনৈতিকভাৱে লাভজনক হৈ আছিল। নিউ লানার্কৰ সাফল্যই এইটো প্রমাণ কৰিছিল যে ঔদ্যোগিক কার্যক্ষমতা আৰু সামাজিক কল্যাণ একেলগে সহাৱস্থান কৰিব পাৰে।

(খ) নিউ হার্মনি প্রয়োগ

(New Hajmony Experiment)

নিউ লানার্কৰ সাফল্যৰ পৰা উৎসাহিত হৈ অ'ৱেনে 1825 চনত আমেৰিকা যুক্তৰাষ্ট্রৰ ইণ্ডিয়ানাত "নিউ হার্মনি" নামৰ এক সম্পূর্ণ সহযোগী সমাজ স্থাপনৰ চেষ্টা কৰিছিল। এই প্রয়োগৰ লক্ষ্য আছিল

পুঁজিবাদক সম্পূর্ণৰূপে সহযোগিতামূলক জীৱন ব্যৱস্থাৰ দ্বাৰা প্ৰতিষ্ঠাপন কৰা। তথাপি শৃংখলাৰ অভাৱ, সুস্পষ্ট নেতৃত্বৰ অনুপস্থিতি আৰু সদস্যসকলৰ মাজত মতাদর্শগত মতভেদৰ বাবে নিউ হার্মনি ব্যর্থ হৈছিল। এই ব্যর্থতাই কাল্পনিক সমাজ স্থায়ীভাৱে চলাই নিয়াৰ ক্ষেত্ৰত থকা ব্যৱহাৰিক অসুবিধাসমূহ উন্মোচন কৰিছিল। এই ব্যর্থতাৰ ফলত অ'ৱেনে সমাজৰ বৈজ্ঞানিক বুজাবুজিৰ অভাৱৰ বাবে সমালোচনাৰ সন্মুখীন হ'ব লগা হৈছিল।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ৰ'বার্ট অ'ৱেনৰ প্ৰয়োগসমূহ বর্ণনা কৰিব, বিশেষকৈ নিউ লানার্ক প্ৰয়োগৰ প্ৰসংগ উল্লেখ কৰি সমালোচনা কৰিব।

৯.৬ ৰ'বার্ট অৱেনৰ অৱদানৰ মূল্যায়ন

কার্ল মার্ক্স আৰু ফ্ৰেডেৰিক এংগেলছে শ্ৰেণী সংঘর্ষক উপেক্ষা কৰা আৰু নৈতিক প্ৰৰোচনাৰ ভূমিকাক অতিমূল্যায়ন কৰা বাবে অ'ৱেনক সমালোচনা কৰিছিল। তেওঁলোকে যুক্তি দিছিল যে অ'ৱেনৰ পুঁজিবাদ সম্পর্কে বৈজ্ঞানিক বিশ্লেষণৰ অভাৱ আছিল আৰু তেওঁৰ ধাৰণাসমূহক বৈজ্ঞানিক সমাজবাদৰ সলনি কাল্পনিক সমাজবাদ হিচাপে চিহ্নিত কৰিছিল।

অন্য সমালোচনাসমূহে সহযোগী সমাজসমূহৰ অর্থনৈতিক অকার্যক্ষমতা, আদর্শ মানৱ আচৰণৰ ওপৰত নির্ভৰশীলতা আৰু দীঘলীয়া সময়লৈ প্ৰয়োগসমূহ স্থায়ীভাৱে চলাই নিয়াত ব্যর্থতাৰ দিশলৈ আঙুলিয়াই দিয়ে। তথাপি ৰ'বার্ট অ'ৱেনৰ গুৰুত্ব এই কথাত নিহিত যে তেওঁ সমাজবাদক পুঁজিবাদৰ ওপৰত এক নৈতিক সমালোচনা হিচাপে উপস্থাপন কৰিছিল। তেওঁ প্ৰমাণ কৰিছিল যে ব্যৱহাৰিক সংস্কাৰে ঔদ্যোগিক পৰিস্থিতি উন্নত কৰিব পাৰে আৰু সহযোগী আন্দোলন আৰু শ্ৰম আইন-কানুনক প্ৰভাৱিত কৰিছিল।

তেওঁৰ ধাৰণাসমূহে সমাজবাদক কেৱল তাত্ত্বিক ধাৰণাৰ পৰা এক সামাজিক প্ৰয়োগলৈ ৰূপান্তৰিত কৰি পৰৱর্তী সমাজবাদী চিন্তাধাৰাৰ আধাৰ স্থাপন কৰিছিল। ৰাজনৈতিক চিন্তাৰ ইতিহাসত ৰ'বার্ট অ'ৱেন এজন আটাইতকৈ মানৱীয় ব্যক্তিত্ব হিচাপে পৰিগণিত। তেওঁৰ কাল্পনিক সমাজবাদ মানৱ স্বভাৱ সম্পর্কে আশাবাদ আৰু সামাজিক সংস্কাৰৰ ওপৰত বিশ্বাসৰ ওপৰত আধাৰিত আছিল। যদিও তেওঁৰ ধাৰণাসমূহত বৈজ্ঞানিক কঠোৰতা আৰু ৰাজনৈতিক কৌশলৰ অভাৱ আছিল, তথাপি ই প্ৰৰম্ভিক পুঁজিবাদ আৰু শিল্প বিপ্লৱৰ নৈতিক ব্যর্থতাসমূহ উন্মোচন কৰিছিল।

মার্ক্সবাদে যদিও পাছলৈ কাল্পনিক সমাজবাদক সমালোচনা কৰিছে, তথাপি শিক্ষা, সহযোগিতা আৰু সামাজিক দায়িত্বৰ ওপৰত অ'ৱেনৰ গুৰুত্বই আজিও আধুনিক কল্যাণমূলক নীতি আৰু সহযোগী আন্দোলনত প্ৰভাৱ পেলাই আছে। তেওঁৰ উত্তৰাধিকাৰে সামাজিক ন্যায় লাভৰ ক্ষেত্ৰত নৈতিক প্ৰতিশ্ৰুতিৰ গুৰুত্ব নতুনকৈ প্ৰভাৱিত কৰিছে।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ ৰ'বার্ট অ'ৱেনৰ কাল্পনিক সমাজবাদৰ অৱদান আৰু সীমাবদ্ধতাসমূহ সমালোচনামূলকভাৱে

পৰীক্ষা কৰা।

2 ৯.৭ অধ্যায়টিৰ পৰা আমি শিকিলোঁ

• কাল্পনিক সমাজবাদ উদ্যোগিক বিপ্লৱৰ ফলত সৃষ্ট শোষণ অসমতা আৰু সামাজিক বিশৃংখলাৰ প্রতিক্রিয়া হিচাপে ঔদ্যোগিক পুঁজিবাদৰ ওপৰত কৰা এক প্রাৰম্ভিক নৈতিক সমালোচনা হিচাপে উদ্ভৱ হৈছিল।

• এই সমাজবাদে সহযোগিতা, সমতা আৰু যৌথ মালিকানাৰ ওপৰত গুৰুত্ব দিছিল আৰু প্রতিযোগিতা, লাভৰ প্রেৰণা আৰু হিংসাত্মক বিপ্লৱক প্রত্যাখ্যান কৰিছিল।

• ৰ'বার্ট অ'ৱেন এজন অগ্রণী কাল্পনিক সমাজবাদী আছিল, যিয়ে বিমূর্ত তত্ত্বৰ সলনি ব্যৱহাৰিক সামাজিক পৰীক্ষাৰ জৰিয়তে সমাজবাদী ধাৰণাসমূহ প্রয়োগ কৰিবলৈ চেষ্টা কৰিছিল।

• অ'ৱেনৰ মানৱ চৰিত্রৰ তত্ত্বই এই কথাত গুৰুত্ব দিছিল যে মানুহৰ আচৰণ ব্যক্তিগত স্বভাৱৰ দ্বাৰা নহয়, বৰঞ্চ সামাজিক পৰিৱেশ আৰু প্রতিষ্ঠানসমূহৰ দ্বাৰা গঢ় লৈ উঠে।

• তেওঁৰ সহযোগী সমাজৰ আৰ্হিয়ে যৌথ মালিকানা আৰু সামাজিক সংস্কাৰৰ জৰিয়তে দৰিদ্রতা আৰু সামাজিক সংঘাত দূৰ কৰাৰ লক্ষ্য লৈছিল।

• নিউ লানার্ক প্রয়োগে এইটো প্রমাণ কৰিছিল যে মানৱীয় পৰিস্থিতিত ঔদ্যোগিক উৎপাদনক্ষমতা আৰু শ্রমিক কল্যাণ একেলগে সহাৱস্থান কৰিব পাৰে।

• সীমাবদ্ধতা আৰু পাছলৈ অবৈজ্ঞানিক বুলি সমালোচিত হোৱাৰ সত্ত্বেও, কাল্পনিক সমাজবাদে আধুনিক সমাজবাদী চিন্তাধাৰা আৰু সামাজিক সংস্কাৰৰ বাবে এক গুৰুত্বপূর্ণ আধাৰ স্থাপন কৰিছিল।

৯.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Sabine, G. H., Thorson, T.L. (1973). *A History of Political Theory* (4th ed.). Oxford & IBH.

2) Sharma, U., & Sharma, S.K. (2018). *Western Political Thought*. Atlantic Publishers.

3) Singh, J.P. (2015). *History ogf Political Thought*. Pearson India.

4) Engels, F. (1880). *Socialism : Utopian and Scientific*. Progress Publishers.

5) Gauba, O.P. (2017). *An Introduction to Political Theory* (6th ed.). Macmillan India.

K ৯.৯ অগ্রগতিৰ খতিয়ন

১ নং প্রশ্নৰ উত্তৰ ঃ

কাল্পনিক সমাজবাদ সমাজবাদী চিন্তাধাৰাৰ আটাইতকৈ প্রাৰম্ভিক ৰূপত বুজায়, যি ইউৰোপত অষ্টাদশ

শতিকাৰ শেষভাগত আৰু ঊনবিংশ শতিকাৰ আৰম্ভণিত উদ্যোগিক বিপ্লৱৰ ফলত সৃষ্টি হোৱা সামাজিক সমস্যাসমূহৰ প্রতিক্রিয়া হিচাপে উদ্ভৱ হৈছিল। তীব্র ঔদ্যোগিকীকৰণে শ্রমিক শোষণ, শিশু শ্রম, দৰিদ্রতা আৰু অসমতা বৃদ্ধি কৰিছিল, যিয়ে চিন্তাবিদসকলক বিকল্প সামাজিক ব্যৱস্থাৰ সন্ধান কৰিবলৈ প্রেৰণা দিছিল।

"ইউটোপিয়া" শব্দটো প্রথমে থমাছ মৰে তেওঁৰ গ্রন্থ Utopia (1516) ত ব্যৱহাৰ কৰিছিল, য'ত তেওঁ এক কল্পিত আদর্শ সমাজৰ বর্ণনা কৰিছিল। ঊনবিংশ শতিকাত এই শব্দটোৱে সহযোগিতা, সমতা আৰু যৌথ মালিকানাৰ ওপৰত আধাৰিত আদর্শ সমাজ কল্পনা কৰা সমাজবাদী চিন্তাবিদসকলক সূচাবলৈ ব্যৱহৃত হ'বলৈ ধৰিলে, যদিও তেওঁলোকে সেই সমাজ লাভৰ কোনো সুস্পষ্ট ৰাজনৈতিক কৌশল আগবঢ়োৱা নাছিল।

কাল্পনিক সমাজবাদ মূলত ইংলেণ্ড আৰু ফ্রান্সত বিকশিত হৈছিল আৰু ইয়াৰ মুখ্য চিন্তাবিদসকল আছিল ৰ'বার্ট অ'ৱেন, চার্লছ ফুৰিয়ে আৰু ছাঁ ছিমোঁ। এই চিন্তাবিদসকলে বিপ্লৱ বা শ্রেণী সংঘর্ষৰ সলনি নৈতিক সংস্কাৰ, শিক্ষা আৰু উদাহৰণৰ জৰিয়তে সমাজ শান্তিপূর্ণভাৱে ৰূপান্তৰিত কৰিব পাৰি বুলি বিশ্বাস কৰিছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ

কাল্পনিক সমাজবাদৰ মূল বৈশিষ্ট্য আছিল প্রাৰম্ভিক ঔদ্যোগিক পুঁজিবাদৰ ওপৰত কৰা এক শক্তিশালী নৈতিক সমালোচনা। কাল্পনিক সমাজবাদীসকলে ব্যক্তিগত সম্পত্তি, প্রতিযোগিতা আৰু লাভৰ প্রেৰণাক বিৰোধিতা কৰিছিল, কিয়নো এইবোৰে অসমতা আৰু শোষণ সৃষ্টি কৰে বুলি তেওঁলোকে বিশ্বাস কৰিছিল।

তেওঁলোকে ঐতিহাসিক শক্তি বা শ্রেণী সংঘর্ষ বিশ্লেষণ কৰাৰ সলনি আদর্শ সমাজৰ নক্সা তৈয়াৰ কৰাত অধিক গুৰুত্ব দিছিল। সহযোগিতাক প্রতিযোগিতাতকৈ নৈতিকভাৱে শ্রেষ্ঠ বুলি গণ্য কৰা হৈছিল আৰু যৌথ জীৱনৰ জৰিয়তে সামাজিক সামঞ্জস্য লাভ কৰিব পাৰি বুলি বিশ্বাস কৰা হৈছিল। কাল্পনিক সমাজবাদীসকলে হিংসাত্মক বিপ্লৱ প্রত্যাখ্যান কৰিছিল আৰু শিক্ষা, প্রৰোচনা আৰু নৈতিক আৱেদন আদি শান্তিপূর্ণ পদ্ধতিৰ জৰিয়তে সামাজিক পৰিৱর্তন সম্ভৱ বুলি বিশ্বাস কৰিছিল।

ইয়াৰ আন এক গুৰুত্বপূর্ণ বৈশিষ্ট্য আছিল নৈতিক সংস্কাৰৰ ওপৰত গুৰুত্ব, কিয়নো সামাজিক সমস্যাসমূহক মানৱ স্বভাৱৰ সলনি অন্যায় প্রতিষ্ঠানসমূহৰ ফল বুলি ধৰা হৈছিল। বহুতো কাল্পনিক সমাজবাদীয়ে সহযোগিতামূলক জীৱনৰ ব্যৱহাৰিক সম্ভাৱনা দেখুৱাবলৈ প্রায়োগিক সমাজ স্থাপন কৰিবলৈ চেষ্টা কৰিছিল। তথাপি সংগঠনমূলক আৰু ব্যৱহাৰিক সমস্যাৰ বাবে এই প্রয়োগসমূহ প্রায়েই ব্যর্থ হৈছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ

ৰ'বার্ট অ'ৱেনৰ মানৱ চৰিত্রৰ তত্ত্বই তেওঁৰ সামাজিক দর্শনৰ আধাৰ গঠন কৰে। তেওঁ বিশ্বাস কৰিছিল যে মানৱ চৰিত্র সম্পূর্ণৰূপে পৰিৱেশগত পৰিস্থিতি— যেনে শিক্ষা, সামাজিক প্রতিষ্ঠান আৰু অর্থনৈতিক অৱস্থাৰ দ্বাৰা গঢ় লৈ উঠে। অ'ৱেনৰ মতে, মানুহ জন্মগতভাৱে নিস্পাপ; গতিকে তেওঁলোকৰ আচৰণ তেওঁলোক বাস কৰা পৰিস্থিতিৰ প্রতিফলন।

তেওঁ প্রসিদ্ধভাৱে কৈছিল যে, "মানুহৰ চৰিত্র তেওঁ নিজে গঢ়ে নহয়; বৰঞ্চ তেওঁৰ বাবে গঢ়ি তোলা হয়।" এই ভিত্তিত অ'ৱেনে অপৰাধ, দৰিদ্রতা আৰু অনৈতিকতাক ব্যক্তিগত ব্যর্থতাৰ ফল নহয়, বৰঞ্চ ত্রুটিপূর্ণ সামাজিক প্রতিষ্ঠানৰ ফল বুলি ব্যাখ্যা কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে যদি সমাজে নিজৰ প্রতিষ্ঠানসমূহ সংস্কাৰ কৰে আৰু জীৱন আৰু কর্ম পৰিস্থিতি উন্নত কৰে, তেন্তে মানৱ আচৰণ স্বয়ংক্রিয়ভাৱে উন্নত হ'ব। এই বিশ্বাসেই অ'ৱেনক সামাজিক সংস্কাৰ, শিক্ষা আৰু সহযোগী প্রতিষ্ঠানসমূহৰ ওপৰত গুৰুত্ব দিবলৈ প্রেৰণা দিছিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ

ৰ'বার্ট অ'ৱেনে তেওঁৰ সমাজবাদী ধাৰণাসমূহ সামাজিক প্রয়োগৰ জৰিয়তে বাস্তৱত ৰূপায়ণ কৰিবলৈ চেষ্টা কৰিছিল। ইয়াৰ ভিতৰত আটাইতকৈ সফল আছিল স্কটলেণ্ডত 1800 ৰ পৰা 1825 চনৰ ভিতৰত চলা নিউ লানার্ক প্রয়োগ। কটন মিলৰ ব্যৱস্থাপক আৰু সহমালিক হিচাপে অৱেনে শ্রমিকসকলৰ জীৱন উন্নত কৰিবলৈ বহুতো সংস্কাৰ গ্রহণ কৰিছিল।

ইয়াৰ ভিতৰত কর্মঘণ্টা হ্রাস, শিশু শ্রম সীমিত কৰা, সুস্থ বাসস্থান আৰু পৰিচ্ছন্নতাৰ ব্যৱস্থা, বিনামূলীয়া শিক্ষা আৰু স্বাস্থ্যসেৱা প্রদান আদি অন্তর্ভুক্ত আছিল। তেওঁ প্রাথমিক শিশু বিদ্যালয়সমূহৰ অন্যতম এটা স্থাপন কৰিছিল। এই সকলো কল্যাণমূলক ব্যৱস্থাৰ সত্ত্বেও নিউ লানার্ক অর্থনৈতিকভাৱে লাভজনক হৈ আছিল, যিয়ে এইটো প্রমাণ কৰিছিল যে ঔদ্যোগিক দক্ষতা আৰু সামাজিক কল্যাণ একেলগে চলিব পাৰে। এই সাফল্যৰ পৰা উৎসাহিত হৈ অ'ৱেনে আমেৰিকা যুক্তৰাষ্ট্রত নিউ হার্মনি নামৰ এক সম্পূর্ণ সহযোগী সমাজ স্থাপন কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু সংগঠনমূলক সমস্যা আৰু শৃংখলাৰ অভাৱৰ বাবে এই প্রয়োগ ব্যর্থ হৈছিল। তথাপি নিউ লানার্ক ইউটোপিয়ান সমাজবাদৰ এক গুৰুত্বপূর্ণ ব্যৱহাৰিক উদাহৰণ হিচাপে চিহ্নিত হৈ থাকে।

৫ নং প্রশ্নৰ উত্তৰ ঃ

ৰ'বার্ট অ'ৱেনে সমাজবাদক পুঁজিবাদৰ ওপৰত এক নৈতিক সমালোচনা হিচাপে উপস্থাপন কৰি আৰু ঔদ্যোগিক সমাজৰ ভিতৰতে ব্যৱহাৰিক সংস্কাৰ দেখু�ৱাই সমাজবাদী চিন্তাধাৰাত গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছিল। সহযোগিতা, শিক্ষা আৰু মানৱীয় কর্ম পৰিস্থিতিৰ ওপৰত তেওঁৰ গুৰুত্বই পাছলৈ সামূহিক আন্দোলন, শ্রম সংস্কাৰ আৰু কল্যাণমূলক নীতিসমূহক গভীৰভাৱে প্রভাৱ কৰিছিল। বিশেষকৈ নিউ লানার্কত কৰা তেওঁৰ প্রয়োগে অর্থনৈতিক উৎপাদনক্ষমতা ত্যাগ নকৰাকৈ সামাজিক সংস্কাৰ সম্ভৱ বুলি প্রমাণ কৰিছিল।

তথাপি তেওঁৰ ধাৰণাসমূহৰ গুৰুত্বপূর্ণ সীমাবদ্ধতা আছিল। সমালোচকসকলে কৈছিল যে অ'ৱেনৰ পুঁজিবাদৰ বৈজ্ঞানিক বিশ্লেষণৰ অভাৱ আছিল আৰু তেওঁ সামাজিক পৰিৱর্তনত শ্রেণী সংর্ঘষৰ ভূমিকা উপেক্ষা কৰিছিল। নৈতিক প্রৰোচনাৰ ওপৰত অতিমাত্রা নির্ভৰশীলতা আৰু উন্নত পৰিস্থিতিত মানুহ স্বাভাৱিকভাৱে সহযোগিতা কৰিব বুলি ধৰা ধাৰণাটোও সমালোচিত হৈছিল। লগতে, তেওঁৰ সহযোগী সমাজসমূহ দীঘলীয়া সময়লৈ টিকি থাকিবলৈ ব্যর্থ হৈছিল। এই সকলো কাৰণত মার্ক্স আৰু এংগেলছে তেওঁৰ ধাৰণাসমূহক বৈজ্ঞানিক সমাজবাদৰ সলনি কাল্পনিক সমাজবাদ বুলি অভিহিত কৰিছিল। তথাপি অ'ৱেনৰ মানৱীয় দৃষ্টিভংগী ৰাজনৈতিক বিজ্ঞানৰ আলোচনাত ঐতিহাসিকভাৱে অত্যন্ত গুৰুত্বপূর্ণ হৈ আছে।

M ৯.১০ আর্হি প্রশ্ন

ক) চুটি প্রশ্ন (150 শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন 1 ঃ কাল্পনিক সমাজবাদৰ যিকোনো দুটা মুখ্য বৈশিষ্ট্য উল্লেখ কৰা।

প্রশ্ন 2 ঃ মানৱ চৰিত্র গঠনৰ বিষয়ে ৰ'বার্ট অ'ৱেনে কি বুজাইছিল?

প্রশ্ন 3 ঃ নিউ লানার্ক প্রয়োগৰ গুৰুত্ব কি আছিল?

প্রশ্ন 4 ঃ মার্ক্স আৰু এংগেলছে কাল্পনিক সমাজবাদক কিয় সমালোচনা কৰিছিল?

খ) ৰচনাধর্মী প্রশ্ন (300–500 শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন 1 ঃ কাল্পনিক সমাজবাদৰ ধাৰণা আৰু মুখ্য বৈশিষ্ট্যসমূহ আলোচনা কৰা।

প্রশ্ন 2 ঃ ৰ'বার্ট অ'ৱেনৰ জীৱন আৰু সামাজিক ধাৰণাসমূহ পৰীক্ষা কৰা।

প্রশ্ন 3 ঃ ৰ'বার্ট অ'ৱেনৰ কাল্পনিক সমাজবাদৰ অৱদান আৰু সীমাবদ্ধতাসমূহ সমালোচনামূলকভাৱে বিশ্লেষণ কৰা।

****